**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-March-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে সমগ্ৰ ৰাজ্যজুৰি আজিৰে পৰা নিৰ্বাচন আয়োগৰ আদৰ্শ আচৰণ বিধি বলৱৎ।

২। নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে প্ৰতিটো ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা আৰম্ভ।

৩। ৰাজ্য চৰকাৰ আৰু অস্ত্ৰ বিৰতিত থকা কুকি উগ্ৰপন্থী সংগঠনসমূহৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত।

৪। অপ্ৰাদেশীকীকৃত শিক্ষকসকলৰ ত্যাগ আৰু নিষ্ঠাৰ প্ৰতি সন্মান জনাই গুৰু দক্ষিণা শীৰ্ষক এটা প'ৰ্টেল মুকলি।

*আৰু*

৫। লজ এঞ্জেলছত ডল্‌বি থিয়েটাৰত ৯৮ সংখ্যক একাডেমী বঁটা প্ৰদান। ৰান বেটেল আফটাৰ আনাদাৰলৈ শ্ৰেষ্ঠ ছবিৰ সন্মান।

oooooo

অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন কালি ঘোষণা কৰা হয়। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

*(বাইট)*

উল্লেখযোগ্য যে ৰাজ্যত এইবাৰ দুই কোটি ৫০ লাখ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত এক কোটি ২৫ লাখ পুৰুষ, এক কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ জন তৃতীয় লিংগৰ ভোটদাতা আছে। ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ আৰু অনন্য ব্যৱস্থা বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে অসমৰ বিভিন্ন দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰতিকূল পৰিস্থিতিৰ মাজত নিৰ্বাচনী বিষয়াসকলে যাত্ৰা কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ মাজুলীৰ পৰা প্ৰায় ৫০-৬০ কিলোমিটাৰ দূৰত্ব ফেৰী আৰু ট্ৰেক্টৰেৰে অতিক্ৰম কৰি নিৰ্বাচনী বিষয়াসকলে ২৪৮ জন ভোটদাতা থকা অতি পিছপৰা ধনেখনা ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হোৱাৰ কথা প্ৰকাশ কৰে।

*(বাইট)*

এই সংবাদমেলতে কালি পশ্চিমবংগ, তামিলনাড়ু, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ সময়সূচীও ঘোষণা কৰা হয়। কেৰালাম আৰু পুডুচেৰীত অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ লগতে তামিলনাডুত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আনহাতে পশ্চিমবংগত অহা ২৩ এপ্ৰিলত প্ৰথম পৰ্যায়ত আৰু ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভোটগণনা

অহা ৪ মে'ত অনুষ্ঠিত হ'ব। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতে আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আঁচৰণবিধি বলৱৎ হৈছে বুলি শ্ৰী কুমাৰে প্ৰকাশ কৰে।

মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে সংবাদমেলত বিশুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি উল্লেখ কৰি কয়, যে এই উদ্দেশ্য আগত ৰাখিয়েই নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া চলাইছিল। তেওঁ কয় যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আদিৰ দৰে ন্যূনতম ব্যৱস্থাসমূহ নিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে। তেওঁ লগতে কয়, যে নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি তোলাৰ বাবে ৩০ টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ২০০ ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

oooooo

নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে সমগ্ৰ ৰাজ্যজুৰি আজিৰে পৰা নিৰ্বাচন আয়োগৰ আদৰ্শ আচৰণ বিধি বলৱৎ হৈছে। আদৰ্শ আচৰণ বিধি সন্দৰ্ভত শ্ৰীভূমিৰ জিলা নিৰ্বাচনী অধিকাৰীৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা বিজ্ঞপ্তি অনুসৰি জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয় আৰু কাৰ্যালয়ৰ মুৰব্বীসকলক আদৰ্শ আচৰণ বিধি কঠোৰভাৱে নিৰ্দেশ দিয়া হৈছে। বিজ্ঞপ্তি অনুসৰি চৰকাৰী আৰু ৰাজহুৱা সম্পত্তিত থকা সকলো ধৰণৰ পোষ্টাৰ, বেনাৰ, ফেক্স, দেৱাল লিখন আদি নিৰ্বাচন দিন ঘোষণাৰ ২৪ ঘণ্টাৰ ভিতৰত আঁতৰাব লাগিব। একেদৰে ৰাজহুৱা সম্পত্তি যেনে- পথ, বিদ্যুতৰ খুঁটা, ৰে'ল ষ্টেচন, বাছ আস্থান, চৰকাৰী বাহন আদিৰ পৰা ৰাজনৈতিক দল তথা প্ৰাৰ্থীৰ প্ৰচাৰ সামগ্ৰী ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰাব লাগিব। ব্যক্তিগত সম্পত্তিত সংলগ্ন কৰা ৰাজনৈতিক প্ৰচাৰ সামগ্ৰী আইন অনুসৰি ৭২ ঘণ্টাৰ ভিতৰত আঁতৰাবলৈ নিৰ্দেশ দিয়া হৈছে। লগতে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে চৰকাৰী বাহন ব্যৱহাৰ কৰিব নোৱাৰিব বুলিও স্পষ্টভাৱে কোৱা হৈছে। নিৰ্বাচন ঘোষণা হোৱাৰ পিছত চৰকাৰী সম্পত্তিৰ পৰা কিমান পোষ্টাৰ, বেনাৰ বা দেৱাল লিখন আঁতৰোৱা হৈছে তাৰ বিশদ তথ্য নিৰ্দিষ্ট আৰ্হিত ২৪ ঘণ্টাৰ ভিতৰত নিৰ্বাচনী ব্যয় পৰ্যবেক্ষণ শাখাত জমা দিব লাগিব। এই নিৰ্দেশ পালন কৰাত কোনো গাফিলতি ধৰা পৰিলে তাক গুৰুত্ব সহাৰে বিবেচনা কৰা হ'ব আৰু নিৰ্বাচন আয়োগক প্ৰতিবেদন প্ৰেৰণ কৰিব প্ৰয়োজনীয় বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰশাসনে সতৰ্ক কৰি দিছে।

ৰাজ্যজুৰি আদৰ্শ আচৰণ বিধি বলৱৎ হোৱাৰ লগে লগে দেওবাৰে সন্ধিয়াৰে পৰা দলগাঁও ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত এটা বিভাগীয় দলে দলগাঁও বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত থকা ৰাজনৈতিক দলৰ বেনাৰ, পোষ্টাৰ, হৰ্ডিং, পতাকাসমূহ আঁতৰাই দিয়ে।

oooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। আম আদমী পাৰ্টীয়ে কালি ১৪টা সমষ্টিৰ বাবে প্ৰথম আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা ঘোষণা কৰে।

কংগ্ৰেছ দলে ইতিমধ্যে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। দ্বিতীয় তালিকা অনুসৰি কংগ্ৰেছে ২৩টা সমষ্টিত দলীয় প্ৰাৰ্থী দিয়াৰ লগতে ১৫টা সমষ্টি মিত্ৰদললৈ এৰিছে। ভৱানীপুৰ-সৰভোগ, বজালী, পলাশবাৰী, মধ্য গুৱাহাটী, গোৰেশ্বৰ, মৰিগাঁও, বড়মপুৰ, বিন্যাকান্দি, বিহালী, শদিয়া, ডিব্ৰুগড়, খোৱাং, সৰুপথাৰ, ডিফু আৰু আম্ৰী সমষ্টি কংগ্ৰেছে মিত্ৰদলৰ বাবে এৰি দিছে। ইয়াৰে ১১টা সমষ্টিত অসম জাতীয় পৰিষদ, দুটা সমষ্টিত এ পি এইচ এল চি আৰু দুখন আসনত চি পি আই এম এলৰ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব আগবঢ়াব। দলটোৱে ইয়াৰ পূৰ্বে ৪২টা সমষ্টিৰ বাবে

প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছিল। বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ কথা। এ আই ইউ ডি এফে আজি দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যাৱতীয় কামকাজ পৰিচালনাৰ বাবে অসম জাতীয় পৰিষদে ১২ জনীয়া নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰিছে।

ইপিনে, বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিভিন্নজনৰ অন্যান্য দলত যোগদান তথা দল ত্যাগ অব্যাহত আছে। ইউ পি পি এল দলৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই কালি ইউ পি পি এলৰ দলৰ প্ৰাথমিক সদস্যপদ ত্যাগ কৰে। কং গ্ৰেছৰ প্ৰাথী তালিৰ্ক্ক প্ৰকাশ কৰাৰ পাছতে দলটোৰ বহু প্ৰাথিত্ব প্ৰত্যাশী তথা নেতা-কৰ্মীয়ে ক্ষোভ অসন্তুষ্টি প্ৰকাশ কৰিছে। কংগ্ৰেছ নেতা কুশল শৰ্মা, প্ৰাণেশ্বৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও কংগ্ৰেছ নেতাই দলৰ বিষয়বাবৰ লগতে প্ৰাথমিক সদস্য পদ ত্যাগ কৰিছে। আনহাতে কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকাত হোৱা লাহৰিঘাট সমষ্টিৰ প্ৰাৰ্থী হিচাপে নাম অন্তৰ্ভুক্ত হোৱা ড০ আছিফ নাজৰৰ প্ৰাৰ্থীত্বৰ বিৰোধিতাৰে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক তথা প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰখনতে সাংসদগৰাকীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ ভূমিকাক লৈও অসন্তুষ্টি প্ৰকাশ কৰিছে।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ৰাজ্য চৰকাৰ আৰু অস্ত্ৰ বিৰতিত থকা কুকি উগ্ৰপন্থী সংগঠনসমূহৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ জৰিয়তে কুকি উন্নয়ন পৰিষদ গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ লগতে অসমৰ আন জিলাত থকা কুকিসকলৰ বাবে এখন এইচ এম এ আৰ কল্যাণ পৰিষদ গঠন কৰা হয়। গুৱাহাটীত দুয়োখন পৰিষদৰে মুখ্য কাৰ্যালয় থাকিব। ইয়াৰ উপৰি যিসকল উগ্ৰপন্থী সদস্য সশস্ত্ৰ সংগ্ৰামত মৃত্যু হ'ল তেওঁলোকৰ পৰিয়ালক ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে।

***বাইট - ৰণোজ পেগু***

০০০০০০

অপ্ৰাদেশীকীকৃত শিক্ষকসকলৰ ত্যাগ আৰু নিষ্ঠাৰ প্ৰতি সন্মান জনাই **গুৰু দক্ষিণা** শীৰ্ষক এটা প'ৰ্টেল মুকলি কৰা হৈছে। কাহিলিপাৰাৰ সমগ্ৰ শিক্ষা অসমৰ কাৰ্যালয়ত কালি আনুষ্ঠানিকভাৱে এই প'ৰ্টেল মুকলি কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, যে এই প'ৰ্টেলৰ জৰিয়তে ২০১৩ আৰু ২০২১ চনৰ প্ৰদেশীকীকৰণৰ পৰা বাদ পৰা শিক্ষকসকলে আৰ্থিক সাহায্য লাভৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০

ৰাজ্যৰ সকলো বিদ্যালয়তে ২০২৬ শৈক্ষিক বৰ্ষৰ পৰা ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ বুৰঞ্জী আৰু ভূগোল বিষয় দুটা বাধ্যতামূলক কৰা হৈছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিবে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশ অনুসৰি বুৰঞ্জী আৰু ভূগোল বিষয় দুটা নিয়মীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'ব আৰু শ্ৰেণীত এই বিষয় দুটা বাধ্যতামূলকভাৱে শিকাব লাগিব। অসমৰ চহকী সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয়ৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াবাবে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা বাধ্যতামূলক কৰা হৈছে বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০

লছ এঞ্জেলছৰ ডলবি থিয়েটাৰত কিছুসময় পূৰ্বে ৯৮ সংখ্যক একাডেমী বঁটা প্ৰদান অনুষ্ঠানৰ সামৰণি পৰিছে। প্ৰখ্যাত কমেডিয়ান কেনন অ' ব্ৰায়ানে আঁত ধৰা অনুষ্ঠানত প্ৰিয়ংকা চোপ্ৰা, ৰবাৰ্ট ডাউনিং জুনিয়ৰ, ক্ৰীছ্ ইভানছ্ এন হেথৱে আৰু জেভিয়াৰ বাৰ্ডমেনকে ধৰি কেইবাগৰাকী জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীয়ে বঁটা প্ৰদান কৰে। এইবাৰৰ একাডেমী বঁটাত ১৩ টা শিতানত মনোনয়ন লাভ কৰা লিঅ'নাৰ্ডো দি কেপ্ৰিঅ' অভিনিত **ৱান বেটেল আফটাৰ আনাডাৰ** ছবিখনে শ্ৰেষ্ঠ ছবিৰ বঁটাকে ধৰি মুঠ সাতটা বঁটা লাভ কৰে। এই ছবিখনৰ বাবে থমাছ এণ্ডাৰ্ছনে শ্ৰেষ্ঠ

পৰিচালকৰ বঁটা লাভ কৰে। **চিনাৰ্ছ** ছবিখনত কৰা অভিনয়ৰ বাবে মাইকেল বি জৰ্ডানক শ্ৰেষ্ঠ অভিনেতা আৰু **হেমনেট** ছবিত কৰা অভিনয়ৰ বাবে জেছ্চি বাকলেক শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

০০০০০০

দিল্লীত কালি সামৰণি পৰা ভাৰতীয় লন বল দলৰ নিৰ্বাচনী শিবিৰৰ পৰা এছিয়ান লন বল প্ৰতিযোগিতালৈ অসমৰ ছজন খেলুৱৈয়ে বাচনি লাভ কৰিছে। অহা পাঁচ এপ্ৰিলৰ পৰা দিল্লীত হ'বলগীয়া এছিয়ান লন বল প্ৰতিযোগিতাৰ ছিনিয়ৰ শাখাত অৰ্জুন বঁটা প্ৰাপক নয়নমণি শইকীয়া, বনগীতা হাজৰিকা, পুতুল সোণোৱাল আৰু জয়ন্ত শৰ্মাই বাচনি লাভ কৰিছে। ২৫ বছৰ অনুৰ্ধ শাখাত বিতু দাস আৰু সুৰঞ্জনা বৰুৱাই ভাৰতীয় দলত স্থান লাভ কৰিছে।

০০০০০০

## News Paper Review 16-03-2026

অসম বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা, গুৱাহাটীত গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় উদ্বোধন আদি বাতৰিক গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সমাজকৰ্মী  পৰিৱেশ কৰ্মী সোনম ৱাংচুকক ১৭০ দিনীয়া বন্দিত্বৰ অন্তত চৰকাৰে কাৰাগাৰৰ পৰা মুকলি কৰি দিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৩ বছৰত অসমকে ধৰি ১৩ ৰাজ্যত ৩৫০ বৰ্গ কিলোমিটাৰৰ বন আৱৰণি হ্ৰাস পাইছে। সংসদত কেন্দ্ৰীয় পৰিৱেশ ৰাজ্য মন্ত্ৰীৰ উদ্ধৃতিৰে এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত কালি গুৱাহাটীত নিশা জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড$^{0}$ হিমন্ত বিশ্ব শৰ্মাই ২২টা আহোম সংগঠনৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জুবিন ক্ষেত্ৰত জুবিন গাৰ্গৰ পৰিয়াল আৰু অনুৰাগীৰ তৎপৰতাত কালি উৰলি যোৱা তম্বুত নতুনকৈ তিৰ্পাল লগোৱা হয়। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতকে ধৰি প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। কালি প্ৰকাশিত কেইবাটাও প্ৰাক নিৰ্বাচনী সমীক্ষাত ৰাজ্যত প্ৰায় ১০০ খন আসনেৰে এনডিএয়ে চৰকাৰ গঠন কৰিব বুলি নিয়মীয়া বাৰ্তা আৰু দৈনিক অসম কাকতে ভিন ভিন শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

অসম ক্ৰিকেট সন্থাৰ তৃতীয় সংখ্যক পুলিন দাস সোঁৱৰণী ১৪ বছৰ অনুৰ্ধ আন্তঃজিলা প্ৰতিযোগিতা অহা ২২ মাৰ্চৰ পৰা আয়োজন কৰা হৈছে। অসম ক্ৰিকেট সন্থাৰ ভাৰপ্ৰাপ্ত মুখ্য কাৰ্যবাহী বিষয়া নৰজ্যোতি শৰ্মাই জনোৱা মতে, খেলুৱৈসকলৰ অনলাইন পঞ্জীয়ন অহা ২০ মাৰ্চৰ পূৰ্বে কৰা হ'ব। এই প্ৰতিযোগিতাখনত ২০১২ চনৰ ১ মাৰ্চ বা তাৰ পাছত জন্মগ্ৰহণ কৰা খেলুৱৈসকলে অংশগ্ৰহণ কৰিব পাৰিব বুলি অসম ক্ৰিকেট সন্থাই জনাইছে। প্ৰতিযোগিতাখনত ভাগ লোৱাৰ বাবে ডিব্ৰুগড় জিলা ক্ৰিকেট দলৰ বাচনি শিৰিৰ অহা ১৭ আৰু ১৮ মাৰ্চত পুৱা ১০ বজাৰ পৰা হ'ব বুলি জিলা ক্ৰীড়া সন্থাৰ ক্ৰিকেট বিভাগৰ সম্পাদক আব্দুল ৰহমানে জনাইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, মেঘালয়, নাগালেণ্ডৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**